**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-02-2026 **Time :** 1340 Hrs.

***Assamese Midday NSD Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কেইবাখনো দেশৰ নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সশস্ত্ৰ বাহিনীৰ মুৰব্বী হিচাপে আজি বিশাখাপট্টনমত ২০২৬ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় নৌবহৰ পৰ্যালোচনা, আই এফ আৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

৩। নিৰ্বাচন আয়োগে অসমকে ধৰি ১০ খন ৰাজ্যৰ ৩৭ খন ৰাজ্যসভা আসনৰ বাবে নিৰ্বাচনীসূচী ঘোষণা কৰিছে।

৪। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে বাংলাদেশৰ বিদেশ মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰা ড০ খলিলুৰ ৰহমানক অভিনন্দন জ্ঞাপন কৰিছে।

আৰু

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ইউ এ ইয়ে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১২৩ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ হায়দৰাবাদ ভৱনত স্পেইনৰ ৰাষ্ট্ৰপতি পেট্ৰ' ছান্চেজৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। সাক্ষাৎকালত দুয়োগৰাকী নেতাই ভাৰত আৰু স্পেইনৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে বিভিন্ন বিষয় লৈ আলোচনা কৰে। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে নেতা দুগৰাকীৰ মাজৰ আলোচনাত বাণিজ্য আৰু অৰ্থ ব্যৱস্থা, ডিজিটেল, উদ্ভাৱন, স্বাস্থ্য, জলবায়ু পৰিৱৰ্তনৰ প্ৰতিকুল প্ৰভাৱ প্ৰতিৰোধী ব্যৱস্থা আৰু শিক্ষাকে ধৰি বিভিন্ন বিষয়ে আগস্থান লাভ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত শক্তিশালী সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে স্পেইনে আগবঢ়োৱা নিৰন্তৰ সমৰ্থনৰ শলাগ লয়। প্ৰধানমন্ত্ৰীয়ে লগতে ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী আৰ্ণ্টি পেটেৰি অ'ৰ্প'ৰ সৈতেও আলোচনাত মিলিত হয়। তেওঁলোকে বহন ক্ষমতা আৰু ডিজিটেলাইজেচন, কৃত্ৰিম বুদ্ধিমত্তা গৱেষণা আৰু নৈতিক উদ্ভাৱন ক্ষেত্ৰৰ সহযোগিতা আৰু ভাৰতীয় প্ৰতিভাই দ্বিপাক্ষিক সহযোগিতা কিদৰে শক্তিশালী কৰিব পাৰে, সেই বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে কৃত্ৰিম বুদ্ধিমত্তা ক্ষেত্ৰৰ নতুন উদ্ভাৱনকাৰী হিচাপে ফিনলেণ্ডৰ প্ৰচেষ্টাৰ শলাগ লয়। দুয়োগৰাকী নেতাই দায়িত্বশীল, প্ৰতিভা আধাৰিত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰসাৰ আৰু বহনক্ষম ভৱিষ্যতৰ বাবে প্ৰযুক্তি আধাৰিত সমাধান সূত্ৰৰ ব্যৱহাৰৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে লগতে শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে ছাৰ্বিয়াৰ ৰাষ্ট্ৰপতি আলেকছাণ্ডাৰ বুচিচৰ সৈতেও দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে আজি পুৱা গুগলৰ মুখ্য কাৰ্যবাহী বিষয়া সুন্দৰ পিচাইক সাক্ষাৎ কৰে।

000000000

ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন, ২০২৬-ত অংশগ্ৰহণ কৰাৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ কেইবাগৰাকীও নেতা নতুন দিল্লীত উপস্থিত হৈছে। স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰ’ ছান্‌চেজ পেৰেজ-কাষ্টেজ’ন, চিচিলিৰ উপ-ৰাষ্ট্ৰপতি ছেবেষ্টিয়ন পিল্লে, মৰিছাছৰ প্ৰধানমন্ত্ৰী ড° নবীন চন্দ্ৰ ৰামগুলাম আৰু শ্ল’ভাকিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণী আজি ৰাষ্ট্ৰীয় ৰাজধানীত উপস্থিত হয়। বিদেশ মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে ৰাষ্ট্ৰপতি ছানচেজৰ এই যাত্ৰাই সাংস্কৃতিক, পৰ্যটন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰত আৰু স্পেইনৰ দ্বিবাৰ্ষিক উদযাপনত গতি প্ৰদান কৰিব। চিচিলিক ভাৰতৰ ঘনিষ্ঠ আৰু পুৰণি সামুদ্ৰিক সহযোগী ৰাষ্ট্ৰ বুলি অভিহিত কৰি মন্ত্ৰালয়ে লগতে কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত দেশখনৰ অংশগ্ৰহণে জনসাধাৰণৰ উপকাৰৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আৰু উভয় দেশৰ মাজৰ সহযোগিতা অধিক সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰী ৰাম গুলামৰ ভ্ৰমণে ভাৰত আৰু মৰিছাছৰ মাজৰ সম্পৰ্কৰ মূল স্তম্ভটোৰ স্বৰূপ ডিজিটেল সহযোগিতা সুদৃঢ় কৰিব বুলি আশা মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে। বিদেশ মন্ত্ৰালয়ে লগতে ৰাষ্ট্ৰপতি পেলেগ্ৰিণিৰ উপস্থিতিয়ে ভাৰত আৰু শ্ল’ভাকিয়াৰ মাজৰ ঘনিষ্ঠ আৰু ক্ৰমাৎ বৰ্ধিত সম্পৰ্ক অধিক সুদৃঢ় কৰিব বুলি প্ৰকাশ কৰিছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সশস্ত্ৰ বাহিনীৰ মুৰব্বী হিচাপে আজি বিশাখাপট্টনমত ২০২৬ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় নৌবহৰ পৰ্যালোচনা, আই এফ আৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সেই স্থানত উপস্থিত হোৱাৰ পাছতেই তেওঁক নৌবাহিনীৰ পূব কমাণ্ডৰ তৰফৰ পৰা উৎসৱমুখৰ পৰিৱেশত গাৰ্ড অৱ অনাৰ প্ৰদৰ্শন কৰাৰ লগতে নৌসেনাৰ জ্যেষ্ঠ বিষয়াসকলেও ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। ৰাষ্ট্ৰীয় সংগীতেৰে আৰম্ভণি কৰা এই অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৱে ৰাষ্ট্ৰপতিৰ বাবে নিৰ্দিষ্ট কৰা য়ট **আই এন এছ সুমেধাৰ** পৰা ভাৰতীয় আৰু বিদেশী জাহাজসমূহে প্ৰদৰ্শন কৰা আকৰ্ষণীয় কাৰ্যসূচী উপভোগ কৰে। এই কাৰ্যসূচীৰ ভিতৰত যুদ্ধ জাহাজ আৰু ছাবমেৰিনৰ চালচলনৰ লগতে নৌ বাহিনীৰ বিমান আৰু জাহাজৰ পেৰেড, হেলিকপ্তাৰেৰে চলোৱা উদ্ধাৰ আৰু সাহায্য অভিযানৰ নমুনা আৰু নৌ বাহিনীৰ কমাণ্ডোসকলৰ অভিযানৰ প্ৰদৰ্শনো অন্তৰ্ভুক্ত কৰা হয়।

উল্লেখযোগ্য যে, সমুদ্ৰ পথৰ সুৰক্ষাৰ লগতে বন্ধুভাৱাপন্ন ৰাষ্ট্ৰসমূহৰ মাজৰ সহযোগিতা ত্বৰান্বিত কৰাৰ বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি এই আই এফ আৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। আজিৰ এই অনুষ্ঠানত অন্ধ্ৰ প্ৰদেশৰ ৰাজ্যপাল এছ আব্দুল নাজিৰ আৰু মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী কে ৰামমোহন নাইডু, প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী জেনেৰেল অনিল চৌহান আৰু আন কেইবাগৰাকীও জ্যেষ্ঠ চৰকাৰী বিষয়াই অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, বিশাখাপট্টনমত ২০১৬ বৰ্ষৰ পাছত এইবেলি দ্বিতীয়বাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় নৌবহৰ পৰ্যালোচনা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে বাংলাদেশৰ বিদেশ মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰা ড০ খলিলুৰ ৰহমানক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে ভাৰত আৰু বাংলাদেশৰ মাজৰ সহযোগিতা তথা পাৰস্পৰিক উন্নতি সাধনৰ সম্পৰ্কক অধিক আগবঢ়াই নিয়াৰ উদ্দেশ্যে একেলগে কাম কৰিবলৈ তেওঁ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

০০০০০০০০০

নিৰ্বাচন আয়োগে অসমকে ধৰি ১০ খন ৰাজ্যৰ ৩৭ খন ৰাজ্যসভা আসনৰ বাবে নিৰ্বাচনীসূচী ঘোষণা কৰিছে। এই আসনকেইখনৰ বাবে অহা ২৬ ফেব্ৰুৱাৰীত অধিসূচনা জাৰি কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ৫ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৬ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ৯ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। ১৬ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব। সিদিনাখনেই বিয়লি ৫ বজাত ভোটগণনা কৰা হ'ব। ২০ মাৰ্চৰ ভিতৰত নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। উল্লেখযোগ্য যে অসমৰ সাংসদ – ভূবনেশ্বৰ কলিতা, ৰামেশ্বৰ তেলী আৰু অজিত কুমাৰ ভূঞাৰ কাৰ্যকালৰ অহা ৯ এপ্ৰিলত অন্ত পৰিব।

0000000

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে কৃত্ৰিম বুদ্ধিমত্তা নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব কেৱল ৰাষ্ট্ৰসংঘৰেই নহয় বুলি মত প্ৰকাশ কৰিছে। ভিন ভিন দেশৰ চৰকাৰৰ লগতে ব্যক্তিগত খণ্ড আৰু সামাজিক সংস্থাসমূহৰ অংশগ্ৰহণেৰে কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বাৰ্ষিক বৈঠকৰ আয়োজনৰ প্ৰসংগত তেওঁ এইদৰে কয়। নতুন দিল্লীত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ভাৰতলৈ অহাৰ পূৰ্বে এটা সংবাদ সংস্থাক দিয়া সাক্ষাৎকাৰত শ্ৰীগুটেৰেছে, কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সহযোগিতা সন্দৰ্ভত তিনিটা গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি আঙুলিয়াই দিয়ে। বিশ্বৰ বিভিন্ন স্থানৰ দুকুৰিগৰাকী বিশেষজ্ঞক লৈ কৃত্ৰিম বুদ্ধিমত্তা বিষয়ৰ এটা উচ্চ পৰ্যায়ৰ আন্তঃৰাষ্ট্ৰীয় গোট গঠন কৰাৰ পৰামৰ্শ দি তেওঁ কয় যে এই গোটটোৱে কৃত্ৰিম বুদ্ধিমত্তাৰ অগ্ৰগতি তথা ইয়াৰ পৰা হ'ব পৰা বিপদৰ আশংকা সন্দৰ্ভত চৰকাৰসমূহক অবগত কৰি এই ক্ষেত্ৰত প্ৰয়োজনীয় নীতি গ্ৰহণৰ পথ প্ৰশস্ত কৰিব। উল্লেখযোগ্য যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই শেহতীয়াকৈ গঠন কৰা কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় এনে এটা বিশেষজ্ঞৰ গোটত আই আই টি মাদ্ৰাজৰ অধ্যাপক বলৰামন ৰবীন্দ্ৰনক সদস্য হিচাপে নিযুক্তি দিছে।

000000000

জাপানৰ প্ৰধানমন্ত্ৰী ছনায়ে টাকাইচিয়ে আজি মন্ত্ৰীসভাৰ সদস্যসকলৰ সৈতে পদ ত্যাগ কৰে। টাকাইচি প্ৰশাসনৰ সকলো মন্ত্ৰীয়ে মন্ত্ৰীসভাৰ বৈঠকত সমূহীয়াভাৱে নিজৰ পদত্যাগ পত্ৰ অৰ্পণ কৰে। নতুন প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ বাবে আজি দেশখনৰ সংসদৰ নতুন অধিৱেশন আৰম্ভ হ'ব। ভোটদানৰ অন্তত নতুন প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়াসকলৰ নাম চূড়ান্ত কৰিব আৰু মুখ্য কেবিনেট সচিবে এই সন্দৰ্ভত ঘোষণা কৰিব। দেশখনৰ শাসনাধিষ্ঠিত লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ সভাপতি টাকাইচিক পুনৰ প্ৰধানমন্ত্ৰী হিচাপে স্থলাভিষিক্ত কৰাৰ সম্ভাৱনা আছে, কিয়নো চলিত মাহত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত শাসনাধিষ্ঠিত মিত্ৰজোঁটৰ জয়ৰ পাছত সম্প্ৰতি নিম্ন সদনত টাকাইচিৰ দলৰ আসনৰ সংখ্যা দুই তৃতীয়াংশৰো অধিক হৈছে।

000000000

পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি তৃতীয়দিনা প্ৰশ্নোত্তৰ শিতানেৰে কাৰ্যক্ৰমণিকা আৰম্ভ হয়। প্ৰশ্নোত্তৰ কাল আৰম্ভ হোৱাৰ লগে লগে সদনত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দল বিৰোধী কাৰ্যত লিপ্ত হোৱা কংগ্ৰেছৰ ছজন বিধায়কৰ পদ খাৰিজ কৰাৰ বাবে দাবী জনায়। কংগ্ৰেছৰ প্ৰাৰ্থিত্বৰে জয়ী হোৱা বিধায়ক আব্দুৰ ৰছিদ মণ্ডল আৰু শ্বেৰমান আলী আহমেদে শেহতীয়াকৈ অন্য ৰাজনৈতিক দলত যোগদান কৰা বুলি তেওঁ মন্তব্য কৰে। এই সন্দৰ্ভত অধ্যক্ষৰ ওচৰত অভিযোগ দাখিল

কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী শইকীয়াই প্ৰচলিত নিয়ম অনুসৰি দুয়োগৰাকী বিধায়কৰ পদ খাৰিজ নোহোৱা পৰ্যন্ত তেওঁলোকক তৎকালে কাৰ্যকৰী হোৱাকৈ সদনৰ পৰা নিলম্বন কৰিব লাগে বুলি দাবী জনায়।

০০০০০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত বৰ্তমান নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ - ইউ এ ইয়ে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১২৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ইউ এ ইয়ে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১২২ ৰান সংগ্ৰহ কৰে। খেলখনত বৰষুণৰ বাবে কিছু বিলম্ব ঘটে। অৱশ্যে খেল ইতিমধ্যে পুনৰ আৰম্ভ হৈছে।

কলম্বোত বিয়লি ৩ বজাত গ্ৰুপ-এৰ এখন খেলত পাকিস্তান নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি ৭ বজাত ভাৰত আৰু নেডাৰলেণ্ডছৰ মাজত আজিৰ তৃতীয়খন খেল অনুষ্ঠিত হ'ব।

০০০০০০০০০

সমাপ্ত